# গণৰাজ্য দিৱসৰ ভাষণ



অসমৰ মাননীয় ৰাজ্যপাল

## অধ্যাপক জগদীশ মুখী

গুৱাহাটী, ২৬ জানুৱাৰী, ২০২০

# গণৰাজ্য দিৱস উপলক্ষে মাননীয় ৰাজ্যপালৰ ভাষণ

শ্ৰদ্ধাৰ অসমবাসী ৰাইজ,

আজি আমাৰ দেশৰ ৭১ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপনৰ এই পৱিত্ৰ উপলক্ষত মই অসম তথা ৰাষ্ট্ৰৰ সমূহ জনসাধাৰণলৈ মোৰ আন্তৰিক ওলগ আৰু শুভেচ্ছা জ্ঞাপন কৰিছো।

ৰাষ্ট্ৰই আমাক একতাৰ বান্ধোনেৰে বান্ধি ৰাখে। ৰাষ্ট্ৰৰ সৈতে জড়িত থকা প্ৰতীকসমূহ অতি মহত্বপূৰ্ণ। সেইবাবে ৰাষ্ট্ৰীয় পতাকাখন কেৱল এখন কাপোৰৰ টুকুৰা নহয়, ই আমাৰ স্বাভিমান। ৰাষ্ট্ৰীয় সংগীত কেৱল কিছু শব্দৰ সমষ্টি নহয়, ই আমাৰ আত্মসন্মান। ঠিক তেনেকৈ আমাৰ সংবিধানখন কেৱল এখন গ্ৰন্থ নহয়, ই আমাৰ প্ৰাণশক্তি। আমি সংবিধানৰ প্ৰতি আস্থা ৰাখি চৰকাৰ বা নাগৰিক হিচাপে নিজৰ নিজৰ কৰ্তব্য পালন কৰো। ইয়েই সংবিধানৰ প্ৰতি দেখুওৱা প্ৰকৃত সন্মান।

আজি দেশৰ প্ৰত্যেক নাগৰিকে হৰ্ষ-উল্লাসেৰে গণৰাজ্য দিৱস পালন কৰিছে। আহক, এই শুভক্ষণত আমি আমাৰ সংবিধান প্ৰণেতাসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰো। তেওঁলোকৰ জ্ঞান, অনুভৱ আৰু দূৰদৃষ্টিৰ কাৰণে আমি এনেকুৱা এক ব্যৱস্থা লাভ কৰিছো, য'ত বিভেদ নোহোৱাকৈ, ভয় নথকাকৈ বা পক্ষপাত নকৰাকৈ দেশৰ প্ৰত্যেক নাগৰিকে নিজৰ স্বতন্ত্ৰ সত্তাক অনুভৱ কৰে, নিজৰ আশা-আকাংক্ষাবোৰ পূৰণ কৰাৰ বাবে প্ৰয়াস কৰে।

এই শুভদিনত আমি স্বাধীনতাৰ সেনানীসকলকো স্মৰণ কৰিছো আৰু তেওঁলোকলৈ আমাৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। তেওঁলোকৰ অশেষ ত্যাগ

আৰু বলিদানৰ বিনিময়ত আমি আমাৰ স্বাধীনতা লাভ কৰিবলৈ সক্ষম হৈছো। আহক, আজিৰ এই পৱিত্ৰ ক্ষণত আমি পুনৰ এবাৰ আমাৰ স্বতন্ত্ৰতা, প্ৰচলিত ব্যৱস্থা আৰু সংবিধানৰ মহানতাক স্বীকাৰ কৰি আমাৰ দেশক অধিক শক্তিশালী কৰিবৰ বাবে নিজৰ সমস্ত শক্তি উজাৰি দিবলৈ সংকল্প বদ্ধ হওঁ।

সংস্কৃতিয়ে আমাক ধাৰাবাহিকতা, পৰিচয় আৰু স্থায়িত্ব প্ৰদান কৰে। এইটো আমাৰ সৌভাগ্য যে আমি এই দেশত জন্ম লাভ কৰিছো। এইখন দেশে আমাৰ কল্পনা, চিন্তা, দৰ্শন, বিজ্ঞান, কলা আৰু আধ্যাত্মিকতাৰ উচ্চ শিখৰ চুবলৈ সক্ষম হোৱাৰ লগতে বিশ্ববন্ধুত্ব আৰু মানৱ কল্যাণৰ বাৰ্তা বহন কৰি আহিছে।

সমগ্ৰ বিশ্বই আজি আমাৰ ফালে আশাৰে চাইছে। ভাৰত এখন সম্ভাৱনাৰে পৰিপূৰ্ণ দেশ। আমি এই সম্ভাৱনাসমূহ অনুধাৱন কৰি বাস্তৱায়িত কৰিব লাগিব - এনে এখন ভাৰত নিৰ্মাণ কৰিব লাগিব য'ত ক্ষুধা, দৰিদ্ৰতা, নিবনুৱা সমস্যা নাথাকে, এনে এখন শক্তিশালী আৰু সমৃদ্ধশালী দেশ নিৰ্মাণ কৰিব লাগিব যাতে আমাৰ দেশ সমগ্ৰ বিশ্বৰ পথপ্ৰদৰ্শক হৈ ৰয়। প্ৰাচীন কালৰে পৰা ভাৰত জ্ঞান আৰু আধ্যাত্মিকতাৰ দিশত বিশ্বৰ পথপ্ৰদৰ্শক আছিল। ভাৰত এতিয়া বিজ্ঞান, অৰ্থনীতি আৰু কৌশলেৰেও আগবাঢ়িছে। বৰ্তমান আমাৰ দেশ উন্নতিৰ দিশে দ্ৰুতগতিৰে আগবাঢ়িছে।

ৰাজ্য চৰকাৰে অসমৰ খিলঞ্জীয়া লোকসকলৰ অধিকাৰৰ প্ৰতি সম্পূৰ্ণৰূপে দায়বদ্ধ। সেইবাবে আমি যোৱা তিনি বছৰ ছমাহত বৰাক, ব্ৰহ্মপুত্ৰ, পাহাৰ আৰু ভৈয়ামৰ সমন্বয় ৰক্ষা কৰি অসমীয়াৰ স্বাভিমানৰ প্ৰতি সম্পূৰ্ণ নিষ্ঠাৰে কাম কৰি আছো। অসম চুক্তিৰ ৬ নং দফাৰ সম্পূৰ্ণ ৰূপায়ণত জোৰ দিয়াটোৱে ইয়াৰ উদ্দেশ্য আৰু নীতিক প্ৰতিফলিত কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ অধ্যক্ষতাত কেন্দ্ৰীয় চৰকাৰে এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰিছে। এইখন সমিতিত সমাজৰ অতি সন্মানীয় আৰু বিদ্বান ব্যক্তিসকলক অন্তৰ্ভূক্ত কৰা হৈছে। তেওঁলোকৰ জ্ঞান, অনুভৱৰ দ্বাৰা অসমবাসী লাভান্বিত হ'ব। এইখন সমিতিয়ে অতি শীঘ্ৰে তেওঁলোকৰ

প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰিব। তাৰ পিছত অসমবাসীয়ে সাংবিধানিক সুৰক্ষা কৱচ লাভ কৰিব আৰু তেওঁলোকৰ ৰাজনৈতিক, সাংস্কৃতিক আৰু ভাষিক অধিকাৰ চিৰকালৰ বাবে সুৰক্ষিত হ'ব। আমাৰ বিশ্বাস যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে একেলগে মিলি অসমক এক নতুন বিশ্বাস প্ৰদান কৰিব তথা ইয়াৰ বিকাশৰ গতিক ত্বৰান্বিত কৰিব। ৰাজ্য চৰকাৰে এনে কিছুমান পদক্ষেপ গ্ৰহণ কৰিছে যিসমূহৰ দ্বাৰা ৰাইজৰ প্ৰতি আমাৰ দায়বদ্ধতা প্ৰকাশ পাইছে। সংবিধান সংশোধন কৰি অসমীয়া ভাষাক স্থায়ী ৰাজ্য ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰিবলৈ কেবিনেটে এটা প্ৰস্তাৱ গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত আৱশ্যকীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ আমি কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাইছো। ইয়াৰ লগতে 'ভাষা গৌৰৱ' নামেৰে এখন আঁচনি আৰম্ভ কৰা হৈছে। এই আঁচনিৰ জৰিয়তে যুৱ লেখক সকলক আৰ্থিক সাহায্য প্ৰদান কৰাৰ ব্যৱস্থা আছে। বে-চৰকাৰী বিদ্যালয়সমূহত অসমীয়া ভাষাৰ শিক্ষা প্ৰদান কৰাটো বাধ্যতামূলক কৰা হ'ব। ইয়াৰ বাবে অতি শীঘ্ৰে প্ৰয়োজনীয় আইন প্ৰণয়ন কৰা হ'ব। তদুপৰি, অসম সাহিত্য সভাক ১০ কোটি টকা, বড়ো সাহিত্য সভাক ৫ কোটি টকা আৰু অন্যান্য ২০ খন সাহিত্য সভাৰ প্ৰতিখনলৈ ৩ কোটি টকাকৈ অনুদান প্ৰদান কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। চৰকাৰে প্ৰতিখন সাহিত্য সভাক সবল কৰিব বিচাৰিছে যাতে তেওঁলোকে ভাষাৰ প্ৰচাৰ তথা প্ৰসাৰৰ কাম অধিক ক্ষিপ্ৰতাৰে আগুৱাই নিব পাৰে।

জাতি, মাটি আৰু ভেটিৰ শ্লোগান আমাৰ বাবে কেৱল শ্লোগান নহয়, এইটো এটা সংকল্প। এই সংকল্পত আমি অটল। আমি সম্পূৰ্ণ একাগ্ৰতাৰে আমাৰ কাৰ্য্য-কলাপ আৰু সিদ্ধান্তসমূহত এই সংকল্প বৰ্তাই ৰাখিছো। এই উদ্দেশ্য আগত ৰাখি আমি নতুন ভূমি নীতি প্ৰস্তুত কৰিছো। এই নীতিৰ দ্বাৰা অসমৰ খিলঞ্জীয়া লোকসকলৰ ভূমি সুৰক্ষিত হ'ব। ভূমিহীন পৰিয়ালসমূহক ভূমি পট্টা দিয়াৰ কাম আৰম্ভ কৰা হৈছে আৰু অতি শীঘ্ৰে আমি ১ লাখ ভূমিহীন লোকক মাটিৰ পট্টা প্ৰদানৰ কাম সম্পূৰ্ণ কৰিম।

আমাৰ সত্ৰসমূহ আমাৰ অস্তিত্বৰ প্ৰতীক। এই সত্ৰসমূহ আমাৰ ধৰ্ম, সংস্কৃতি আৰু আধ্যাত্মিক ঐতিহ্যৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। সেইবাবে চৰকাৰে এই সত্ৰসমূহৰ সংৰক্ষণৰ

বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। সত্ৰৰ ভূমিত যি কোনো ধৰণৰ বেদখল মুক্ত কৰাটো আমাৰ কৰ্তব্য আৰু আমি অবিৰতভাৱে এই দিশত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছো। ১৬০ খন সত্ৰ আৰু ধৰ্মীয় অনুষ্ঠানক 'অসম দৰ্শন আঁচনি' ৰ অধীনত সামৰি লৈ প্ৰতিটো অনুষ্ঠানলৈ ২ লাখ টকাকৈ আৰ্থিক সাহায্যও প্ৰদান কৰা হৈছে।

প্ৰাচীনকালৰে পৰা অসমত বিভিন্ন ভাষা-ভাষী লোক, বিভিন্ন সম্প্ৰদায় আৰু খিলঞ্জীয়া লোক একেলগে মিলিজুলি বাস কৰি আছে। অসমৰ মাটি, সংস্কৃতি আৰু সভ্যতাৰ এক সুকীয়া বৈশিষ্ট্য আছে। আমি আমাৰ একতা বৰ্তাই ৰাখিব লাগিব। ইয়াৰ লগতে সমাজৰ যিবোৰ শ্ৰেণীৰ লোকৰ বাবে বিশেষ সুৰক্ষা আৰু সা-সুবিধাৰ প্ৰয়োজনীয়তা আছে তেওঁলোকৰ বাবে চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। আমি মৰাণ, মটক আৰু কোচ ৰাজবংশী লোকসকলৰ বাবে নতুন স্বায়ত্ব শাসিত পৰিষদ আৰু টাই আহোম তথা চুতীয়া সম্প্ৰদায়ৰ বাবে উন্নয়ন পৰিষদ পুনৰ গঠন কৰাৰ সিদ্ধান্ত লৈছো। তদুপৰি, সতী সাধিনীৰ জন্ম-জয়ন্তীক ৰাজ্যিক বন্ধ হিচাপে ঘোষণা কৰাৰ লগতে গোলাঘাটত সতী সাধিনী ৰাজ্যিক বিশ্ববিদ্যালয় স্থাপন কৰাৰ বাবে সিদ্ধান্ত লোৱাটো সমাজৰ আশা-আকাংক্ষা পূৰণ কৰাৰ ক্ষেত্ৰত লোৱা আন এটা পদক্ষেপ। ইয়াৰ লগতে মৰাণ, মটক, চুতীয়া আৰু আহোম সম্প্ৰদায়ৰ বাবে ক্ৰীড়া, কৌশল বিকাশ আৰু কৰ্মসংস্থাপন সৃষ্টিৰ ক্ষেত্ৰত নতুন আঁচনি গ্ৰহণৰ বাবে প্ৰতিটো সম্প্ৰদায়লৈ ১২৫ কোটি টকাকৈ প্ৰদানৰ বিশেষ পেকেজ ঘোষণা কৰা হৈছে। চৰাইদেউক বিশ্ব ঐতিহ্য ক্ষেত্ৰ ৰূপে স্বীকৃতি প্ৰদান কৰিবলৈও প্ৰয়োজনীয় পদক্ষেপ লোৱা হৈছে।

আমাৰ চাহ জনজাতি ভাই-ভনীসকলৰ বাবেও আমি কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছো। এই পদক্ষেপ সমূহৰ ভিতৰত তেওঁলোকক ভূমি পট্টা প্ৰদান, চাহ জনজাতিৰ ছাত্ৰ-ছাত্ৰীসকলক দহ হেজাৰ টকাকৈ চাইমন সিং হৰ' বিশেষ ছাত্ৰ বৃত্তি প্ৰদান, কৰ্মসংস্থাপন সৃষ্টি কৰিবলৈ দয়াল দাস পানিকা স্বনিয়োজন আঁচনি, অন্ন যোজনাৰ অধীনত প্ৰতিটো পৰিয়ালক ২ কেজিকৈ চেনি বিতৰণ আৰু বাগান সমূহত ১০০ খন নতুন হাইস্কুল স্থাপন কৰা বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হৈছে।

অসম চুক্তিক সঠিক ৰূপত ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। ভাৰত-বাংলাদেশ সীমান্তক সম্পূৰ্ণ ৰূপে চীল কৰিবলৈ কাৰ্য্যকৰী পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু অলপ যি অংশ বাকী আছে সেইখিনি অতি শীঘ্ৰে চীল কৰা হ'ব। ইয়াৰ দ্বাৰা অবৈধ অনুপ্ৰৱেশ সম্পূৰ্ণ ৰূপে ৰোধ কৰিব পৰা যাব। অসম আন্দোলনৰ শ্বহীদ সকলৰ প্ৰতি শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ চৰকাৰে ৮০৪ গৰাকী শ্বহীদৰ প্ৰতিটো পৰিয়ালক ৫ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰিছে। লগতে আন্দোলনত বন্দুকৰ গুলীৰ দ্বাৰা আঘাতপ্ৰাপ্ত হোৱা ব্যক্তিসকলক ২ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। শ্বহীদসকলৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ চিন স্বৰূপে ১০ ডিচেম্বৰ,২০১৯ তাৰিখে 'শ্বহীদ স্মাৰক উদ্যান' ৰ আধাৰশিলা স্থাপন কৰা হৈছে। গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত এই স্মাৰক নিৰ্মাণ কৰা হ'ব। এই স্মাৰকে বৰ্তমান আৰু ভৱিষ্যতে সেই অমৰ শ্বহীদসকলৰ বলিদানৰ কাহিনী সজীৱ কৰি ৰাখিব।

এইখন চৰকাৰ সমাজৰ প্ৰতিটো শ্ৰেণীৰ বাবে সমৰ্পিত আৰু বিশেষকৈ সেই শ্ৰেণীৰ প্ৰতি বিশেষ ভাৱে উৎসৰ্গিত যিসকলৰ বিকাশ আৰু সুৰক্ষাৰ অধিক প্ৰয়োজনীয়তা আছে । ইয়াৰ প্ৰতি লক্ষ্য ৰাখি আমি ৰাইজৰ হকে কাম কৰি গৈ আছো। শেহতীয়াভাৱে ৰাজ্য চৰকাৰে কিছুমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে যাৰ ভিতৰত আজি মই কিছুসংখ্যক উল্লেখ কৰিব বিচাৰিছো। এই সিদ্ধান্তৰ আঁৰত থকা আমাৰ ভাৱনা তথা সমৰ্পণক আমি বুজাৰ আৱশ্যকতা আছে। ক্ৰীড়া আৰু সাংস্কৃতিক জগতৰ লগত জড়িত ২০০০ সমৰ্পিত ব্যক্তিৰ প্ৰতিগৰাকীলৈ ৫০,০০০ টকাকৈ এককালীন সাহায্য দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। অসমৰ ছবিজগতৰ সামগ্ৰিক উন্নয়নৰ বাবে এক নতুন চলচ্চিত্ৰ নীতি প্ৰস্তুত কৰা হৈছে। মোৰ চৰকাৰে পাঁচগ্ৰাম আৰু নগাঁও পেপাৰ মিলৰ কৰ্মচাৰীসকলৰ প্ৰতি বিশেষ ভাৱে সংবেদনশীল। তেওঁলোকৰ সমস্যাবোৰ সমাধানৰ বাবে বিশেষকৈ তেওঁলোকৰ লৰা-ছোৱালীৰ পঢ়া- শুনাৰ বাবে মোৰ চৰকাৰে এককালীন আৰ্থিক সাহায্য প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

বিগত কেইবাটাও দশক ধৰি অসমৰ ছটা জনগোষ্ঠী যেনে - মৰাণ, মটক, চুতীয়া, কোচ-ৰাজবংশী, টাই আহোম আৰু চাহ জনজাতিৰ লোকসকলে এইটো কথা লৈ আপত্তি কৰি আছিল যে তেওঁলোকক অনুসূচিত জনজাতিৰ মৰ্যাদা দিব লাগে। আমি তেওঁলোকৰ মনোভাৱ বুজি পাইছো, তেওঁলোকৰ দুখ আৰু তেওঁলোকৰ সপোন বুজিবলৈ চেষ্টা কৰিছো। এই উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে এইটো সিদ্ধান্ত গ্ৰহণ কৰিছে যে এই ছটা জনগোষ্ঠীক অনতিপলমে অনুসূচিত জনজাতিৰ মৰ্যাদা দিয়া হ'ব। এই ক্ষেত্ৰত আমি এইটো কথাৰ ওপৰতো গুৰুত্ব দিছো যে বৰ্তমান ৰাজ্যখনত থকা অন্যান্য অনুসূচিত জনজাতিসমূহ যাতে ইয়াৰ দ্বাৰা কোনোধৰণে ক্ষতিগ্ৰস্ত নহয়। আমি অসমৰ সৰ্বাংগীন বিকাশৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু লগতে ইয়াত বসবাস কৰা সকলো শ্ৰেণী, জাতি জনগোষ্ঠীৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ সম্পূৰ্ণৰূপে সমৰ্পিত। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে মন্ত্ৰীসকলৰ এটা নতুন গোট গঠন কৰিছে যিটোৱে ইয়াৰ সকলো সমস্যা চালি-জাৰি চোৱাৰ পিছত এখন প্ৰতিবেদন প্ৰেৰণ কৰিব যাৰ ওপৰত ভিত্তি কৰি কেন্দ্ৰীয় চৰকাৰে এইটো দিশত উচিত সিদ্ধান্ত গ্ৰহণ কৰিব। এইটোৱে অসমৰ অস্তিত্ব সুৰক্ষিত কৰি ৰখাৰ প্ৰতি আমাৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে।

এইখন চৰকাৰৰ উদ্দেশ্য নিকা তথা নীতিসমূহ স্পষ্ট। আমি ৰাজ্যৰ উন্নতিৰ কাৰণে সম্পূৰ্ণ নিষ্ঠাৰে কাম কৰি আছো । বিকাশৰ ধাৰা যাতে তীব্ৰতৰ হয়, সমাজৰ শোষিত, বঞ্চিত লোকসকলে যাতে ইয়াৰ সুবিধা লাভ কৰিব পাৰে এইটোৱেই আমাৰ উদ্দেশ্য। বিগত তিনি বছৰ ছমাহত হোৱা ছয় হাজাৰ কিলোমিটাৰৰো অধিক পথ নিৰ্মাণ, আন্তঃগাঁথনিমূলক বিকাশত বিনিয়োগ, গুৱাহাটীৰ বিমান বন্দৰৰ সম্প্ৰসাৰণ, বগীবিল 'দলঙৰ নিৰ্মাণ, এইম্‌ছৰ নিৰ্মাণ, নতুন মেডিকেল আৰু ইঞ্জিনিয়াৰিং মহাবিদ্যালয় স্থাপন, ইন্দ্ৰধনুষ গেছ গ্ৰীডে ৰাজ্যৰ বিকাশৰ প্ৰতি আমাৰ চৰকাৰৰ দায়বদ্ধতাকেই সূচাইছে।

চৰকাৰে সাধাৰণ জনতাৰ জীৱন যাপনক কিদৰে উন্নতিৰ দিশত আগুৱাই নিব পাৰে, সেই সংকল্পৰে প্ৰতিটো কাম, প্ৰতিটো খোজ অব্যাহত ৰাখিছে। ইয়াৰ ফলতেই আজি আমাৰ ৰাজ্যত ৯২% জনতা স্বাস্থ্য সুৰক্ষা আঁচনিৰ অধীনত অন্তৰ্ভূক্ত হৈছে,

৯৯% জনতাৰ ঘৰত শৌচালয় নিৰ্মাণ হৈছে, ৯৯% জনতাৰ ঘৰত বিদ্যুৎ ব্যৱস্থা আছে, ২৭ লাখ খেতিয়কৰ বেংক একাউণ্টত ১৫৯৮ কোটি টকা জমা কৰোৱা হৈছে, ১ কোটি ৪৫ লাখ জন-ধন যোজনাৰ একাউণ্ট খোলা হৈছে, ৩ লাখ নতুন গৃহ নিৰ্মাণ কৰা হৈছে, ১০ লাখ যুৱকক মুদ্ৰা ঋণ আদি প্ৰদান কৰা হৈছে। ইয়াৰ দ্বাৰা এইটো স্পষ্ট যে আমি বৃহৎ লক্ষ্য তথা উদ্দেশ্য আগত লৈ কাম কৰি আছো আৰু আমাৰ প্ৰতিটো সিদ্ধান্ত, প্ৰতিটো নীতি, প্ৰতিখন আঁচনি জনসাধাৰণক কেন্দ্ৰ কৰি প্ৰস্তুত কৰা হৈছে।

আইনী ব্যৱস্থাক সক্ৰিয় ৰখাটো মোৰ চৰকাৰৰ প্ৰাথমিক উদ্দেশ্য। উগ্ৰপন্থী মুক্ত অসম গঢ়াৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ যি সংকল্প তাত আমি অটল হৈ আছো। চলিত বৰ্ষৰ ২৩ জানুৱাৰীত আলফা, এন.ডি.এফ.বি. আদিৰ দৰে ৮ টা সংগঠনৰ ৬৪৪ গৰাকী সদস্যই আত্মসমৰ্পন কৰিছে। আমি সকলো সংগঠনক শান্তিৰ পথ অৱলম্বন কৰিবলৈ আহ্বান জনাইছো। স্থায়ী শান্তি বৰ্তাই ৰখাটো অতি আৱশ্যক। আৰক্ষীক শক্তিশালী তথা সংবেদনশীল ৰূপত গঢ়ি তুলিবলৈ আমি বিভিন্ন আঁচনি হাতত লৈছো। আমাৰ আৰক্ষী আৰু অধিক শক্তিশালী হওক, যোগ্য হওক, সংবেদনশীল হওক, ইয়াৰ বাবে আমি অবিৰতভাৱে প্ৰচেষ্টা হাতত লৈ আছো। প্ৰশাসনিক ব্যৱস্থাক নিকা তথা ভ্ৰষ্টাচাৰমুক্ত কৰাটো মোৰ চৰকাৰৰ প্ৰাথমিক উদ্দেশ্য। ভ্ৰষ্টাচাৰে সমাজ তথা সামাজিক ব্যৱস্থাক উঁইপোকৰ দৰে খাই ভিতৰখন ফোঁপোলা কৰি পেলাইছে। ৰাজহুৱা জীৱনত স্বচ্ছতা আৰু পাৰদৰ্শিতাৰ অধিক প্ৰয়োজনীয়তা আছে। এই কাৰণেই এইটো জৰুৰী যে যিসকল লোক উচ্চ পদত আছে তেওঁলোকৰ নিয়োগ প্ৰক্ৰিয়া সম্পূৰ্ণ নিকা তথা পাৰদৰ্শিতাৰ ভিত্তিত হ'ব লাগে। অসম লোকসেৱা আয়োগত আৰু অধিক সংস্কাৰ অনাৰ বাবে পদক্ষেপ লোৱা হৈছে। আগতে নিয়োগ প্ৰক্ৰিয়াত যিধৰণে ভ্ৰষ্টাচাৰ হৈছিল, তাৰ প্ৰভাৱ প্ৰশাসনিক ব্যৱস্থাৰ ওপৰতো পৰিছিল । মোৰ চৰকাৰে নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ পাৰদৰ্শিতা ভিত্তিক আৰু ভ্ৰষ্টাচাৰমুক্ত কৰিবৰ বাবে চেষ্টা কৰি আছে।

শ্ৰদ্ধেয় ৰাইজ, আমি ৰাজ্যখনক উন্নতিৰ নতুন দিশত আগুৱাই লৈ গৈ আছো। দেশৰ 'এক্ট ইষ্ট পলিচি' ক যথাৰ্থ ৰূপত প্ৰযোজ্য কৰাৰ ক্ষেত্ৰত অসমৰ বিশেষ ভূমিকা

আছে। ৰাজ্য চৰকাৰে এই দিশত কাম কৰি আছে। আমি এইটো স্বীকাৰ কৰো যে ব্যৱসায় আৰু বাণিজ্যৰ মাধ্যমেৰে আমি আমাৰ অৰ্থব্যৱস্থা শক্তিশালী ৰূপত গঢ়ি তুলিব পাৰো। বিভিন্ন সাংস্কৃতিক, ব্যঁৱসায়িক, বাণিজ্যিক সম্পৰ্কৰ মাধ্যমেৰে দক্ষিণ-পূৱ এছিয়াৰ প্ৰৱেশ দ্বাৰ হিচাপে আমি আমাৰ পৰিচয় গঢ়ি তুলিব লাগিব আৰু এই ক্ষেত্ৰত আমি কাম কৰিব লাগিব।

ৰাজ্যত উদ্যোগ স্থাপনৰ ওপৰত গুৰুত্ব দিয়া হৈছে আৰু ইয়াৰ কাৰণে প্ৰয়োজনীয় নীতি গ্ৰহণ কৰা হৈছে, লগতে এইটো কথাৰ ওপৰতো গুৰুত্ব দিয়া হৈছে যাতে এই উদ্যোগত সংস্থাপন পাবৰ কাৰণে যি ধৰণৰ দক্ষতাৰ প্ৰয়োজন সেই দক্ষতা আমাৰ ল'ৰা-ছোৱালীয়েও আয়ত্ত কৰিব পাৰে। অসম দক্ষতা বিকাশ অভিযানৰ মাধ্যমেৰে এই বছৰ প্ৰায় এক লাখ ল'ৰা-ছোৱালীক দক্ষ কৰিবলৈ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। এই উদ্দেশ্য আগত ৰাখিয়েই ভৱিষ্যতে কৰ্মসংস্থাপনৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আমি দৰং জিলাত আন্তঃৰাষ্ট্ৰীয় স্তৰত এখন দক্ষতা বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ লৈছো। প্ৰায় ৯৫০ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'ব'লগীয়া এই বিশ্ববিদ্যালয়খনৰ চাৰিটা চৌহদ- উজনি অসম, নামনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাত ভৱিষ্যতমুখী শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদানেৰে স্থাপন কৰা হ'ব, ইয়াৰ ফলত আমাৰ যুৱক- যুৱতীসকল লাভান্বিত হ'ব। ইয়াৰ বাবে ভাৰত চৰকাৰে ADB ৰ পৰা সহায় লোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে আৰু এই বছৰৰ শেষৰ ভাগত এই প্ৰকল্পৰ কাম আৰম্ভ হ'ব।

বিকাশৰ গতি ক্ষিপ্ৰতৰ কৰিবলৈ পৰ্যাপ্ত বিত্তীয় পুঁজি আৰু সম্পদৰ প্ৰয়োজন। ইয়াৰ বাবে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ ৰাজহ বঢ়াবলৈ যথাসম্ভৱ প্ৰয়াস কৰি আছে। আমাৰ দৃঢ় বিশ্বাস যে স্বচ্ছতাৰে প্ৰশাসন পৰিচালিত হ'লেহে বিকাশো ক্ষিপ্ৰতাৰে হ'ব। প্ৰশাসনিক ক্ষেত্ৰত পাৰদৰ্শিতাৰ ফলস্বৰূপে যোৱা বছৰ আমি ৰাজ্যৰ ৰাজহ বৃদ্ধি কৰিবলৈ সক্ষম হৈছো। আবকাৰী, পৰিবহন আৰু GST তথা অন্যান্য ক্ষেত্ৰত অভিলেখ সংখ্যক ৰাজহ বৃদ্ধি পাইছে। ইয়াৰ লগতে আমি আন্তঃগাঁথনিমূলক আৰু সামাজিক উন্নয়নৰ

কাৰণে বিশ্ব বেংক, ADB, AIB আৰু NDB ৰ দৰে বিত্তীয় প্ৰতিষ্ঠানৰ পৰা সহায় লোৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছো, যাৰ দ্বাৰা আমি উন্নতিৰ ক্ষেত্ৰখনক অধিক গতি প্ৰদান কৰিব পাৰো। আমাৰ বিত্তীয় ব্যৱস্থাপনা যথেষ্ট শক্তিশালী আৰু বিজ্ঞানসন্মতভাৱে বাজেট প্ৰস্তুত, সম্পদ একত্ৰিতকৰণ, সঠিক আবন্টন আৰু ব্যয় সুনিশ্চিতকৰণ আদিক বিত্তীয় ব্যৱস্থাপনাৰ অধীনলৈ অনা হৈছে। ইয়াৰ বাবে আজি অসমৰ উন্নতি অধিক ত্বৰান্বিত হৈছে, সঠিক আঁচনি নিৰ্বাচন কৰা হৈছে আৰু এই আঁচনিবোৰৰ সফল ৰূপায়ণৰ বাবে আজি সম্পদৰ অভাৱ নোহোৱা হৈছে।

আজি আমি সম্পূৰ্ণ বিশ্বাসেৰে কব পাৰো যে অনাগত দিনবোৰ আমাৰেই হ'ব। বিশ্বত ভাৰতৰ এক সুকীয়া স্থান হ'ব আৰু ভাৰতত অসমে এক সুকীয়া পৰিচয় লাভ কৰিব। এক নতুন যুগৰ সূচনা হ'ব আৰু এই মহত্বপূৰ্ণ সময়ত নিৰাশাৰ কোনো স্থান নাথাকিব। আমি সম্পূৰ্ণ বিশ্বাসেৰে আগুৱাই যাম আৰু নিজৰ সপোনবোৰ নিশ্চিতভাৱে বাস্তৱায়িত কৰিম। কেইদিনমানৰ পূৰ্বে ৰাজ্য চৰকাৰে গুৱাহাটীত ৰাষ্ট্ৰীয় 'খেলো ইণ্ডিয়া' সফলতাৰে অনুষ্ঠিত কৰে। দেশৰ ভিন্ন প্ৰান্তৰ পৰা অহা আমাৰ খেলুৱৈসকলে খেলপথাৰত ইজনে সিজনৰ প্ৰতিদ্বন্দ্বী হিচাপে বিভিন্ন বাধা অতিক্ৰম কৰি নিজৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। অসমৰ প্ৰতিভাৱান যুৱক-যুৱতীসকলে এই খেলত সুন্দৰ প্ৰদৰ্শন কৰিছে। মই সকলো খেলুৱৈক মোৰ আন্তৰিক অভিনন্দন জনাইছো। এয়াই আমাৰ সময়, আমি সকলো অসমবাসী একগোট হৈ সকলো বাধা-বিঘিনি নেওচি আগবাঢ়ি যাম আৰু আমাৰ ৰাজ্যখনৰ সম্পূৰ্ণ বিকাশৰ কাৰণে সংকল্পবদ্ধতাৰে, নিষ্ঠাৰে তথা সম্পূৰ্ণ সততাৰে নিজকে উৎসৰ্গিত কৰিম। ভৱিষ্যতৰ সূৰ্য আমি নিজৰ কান্ধত কঢ়িয়াই আনিম, যাৰ জ্যোতিয়ে গভীৰ অন্ধকাৰ আৰু ঘন কুঁৱলি নাশ কৰিব।

**- জয় হিন্দ -**

২০২০

অসম চৰকাৰী ছপাশাল
গুৱাহাটী-২১